বিজয় কটন মিলছ্ লিমিটেড।

বনাম

আজমেৰ চৰকাৰ।

ন্যায়াধীশ : মূখ্য ন্যায়াধীশ মেহৰ চন্দ মহাজন,

ন্যায়াধীশ মুখেৰজি,

ন্যায়াধীশ ভিভিয়ান বছ্,

ন্যায়াধীশ জগন্নাদাদাস আৰু

ন্যায়াধীশ ভেংকটাৰামা আয়য়াৰ

ভাৰতৰ সংবিধান, অনুচ্ছেদ ১৯(১)(ছ), ১৯(৬)-নূন্যতম মজুৰি আইন (১৯৪৮ চনৰ XI) ধাৰা ৩, ৪ আৰু ৫-উপযুক্ত চৰকাৰ- মজুৰিৰ নূন্যতম হাৰ নিৰ্ধাৰণ- অনুচ্ছেদ ১৯(১)(ছ)ৰ অধীনত নিশ্চিত কৰা মৌলিক অধিকাৰ উলংঘা কৰে নেকি-

নিয়োগকৰ্তা আৰু কৰ্মচাৰীৰ মাজত হোৱা ঔদ্যোগিক বিবাদত নূন্যতম মজুৰি আইন (১৯৪৮ চনৰ XI) ৰ ধাৰা ৩ , ৪ আৰু ৫ৰ বিধানৰ দ্বাৰা উপযুক্ত চৰকাৰক মজুৰিৰ নূন্যতম হাৰ নিৰ্ধাৰণৰ ক্ষমতা প্ৰদান কৰা হয় আৰু আইনৰ অধীনত এইদৰে নিৰ্ধাৰণ কৰা মজুৰি নিদিয়াটো এক অপৰাধ।

মত পোষণ কৰা হৈছিল যে নূন্যতম মজুৰিৰ স্তৰ নিৰ্ধাৰণ কৰি মানুহৰ কৰ্ম চুক্তিৰ ক্ষমতাৰ ওপৰত ৰখা সীমাবদ্ধতাসমূহ ন্যায্য , যদিও ই সংবিধানৰ ১৯(১)(ছ) অনুচ্ছেদৰ দ্বাৰা সুৰক্ষিত বাণিজ্য বা ব্যৱসায়ৰ স্বাধীনতাত কিছু হস্তক্ষেপ কৰে । এইবোৰ সাধাৰণ জনতাৰ সুবিধাৰ বাবে নিৰ্ধাৰণ কৰা হৈছে আৰু এইবোৰৰ সংবিধানৰ ৪৩ নং অনুচ্ছেদত উল্লেখ কৰা ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতিৰ সৈতে মিল আছে। ১৯ নং অনুচ্ছেদৰ দফা (৬)ৰ বিধানসমূহৰ দ্বাৰা নিষেধাজ্ঞাসমূহ সুৰক্ষিত কৰা হৈছে।

এচ আই ইএচটি ইত্যাদি বনাম মাদ্ৰাজ চৰকাৰ, (১৯৫৪) ১ এম.এল.জে. ৫১৮ ৰ উল্লেখ কৰা হৈছে।

মূল ক্ষেত্ৰাধিকাৰ : ১৯৫৪ চনৰ আবেদন নং ১৮৮ আৰু ১৮৯

মৌলিক অধিকাৰ বলবৎ কৰাৰ বাবে ভাৰতীয় সংবিধানৰ ৩২ নং অনুচ্ছেদৰ অধীনত।

ন্যায়াধীশ এইচ এম ছিৰভাই, বি দাদাচানজী আৰু ৰাজিন্দৰ নাৰায়ণ- আবেদনকাৰীৰ বাবে।

ভাৰতৰ চলিচিটৰ জেনেৰেল চি কে ডাফটাৰী (এম এম কৌল আৰু পি জি গোখলেৰ সৈতে)- প্ৰতিবাদীৰ বাবে।

১৯৫৪ চনৰ ১৪ অক্টোবৰ

আদালতৰ ৰায়দান প্ৰদান কৰে ন্যায়াধীশ মুখাৰ্জীয়ে- আমি এতিয়া সংবিধানৰ ৩২ নং অনুচ্ছেদ অনুসৰি দুখন সম্পৰ্কীয় আইনী আবেদনৰ বিষয়ে সিদ্ধান্ত লওঁহক। ইয়াৰে এখন আবেদন বিশেষকৈ ১৮৮ নং আবেদন বিজয় কটন মিলছ (কল) লিমিটেডে ('কোম্পানী' বুলি উল্লেখ কৰা হৈছে) দাখিল কৰিছে। ১৯৫৪ চনৰ ১৩৯ নং দেৱানী আপীলতো কোম্পানীটো আবেদনকাৰী। দ্বিতীয়খন আবেদন ১৮৯ নং আবেদন দাখিল কৰিছে বিজয় কটন মিলছ লিমিটেডত কাম কৰা কেইবাজনো কৰ্মচাৰীয়ে। এই দুয়োখন আবেদনৰ সমৰ্থনত শ্ৰীযুত ছিৰভাইয়ে দিয়া যুক্তিৰ শলাগ ল 'বলৈ হ'লে কেইটামান পূৰ্বৰ তথ্য বৰ্ণনা কৰাটো প্ৰয়োজনীয় হ'ব:

দেখা যায় যে ১৯৫০ চনৰ কোনোবা এটা সময়ত কোম্পানীটো আৰু ইয়াৰ শ্ৰমিকসকলৰ মাজত মজুৰি বৃদ্ধিৰ সন্দৰ্ভত ঔদ্যোগিক বিবাদ হৈছিল আৰু এই বিবাদ আজমেৰ চৰকাৰে ১৯৫০ চনৰ ১ ডিচেম্বৰৰ অধিসূচনাৰ জৰিয়তে ঔদ্যোগিক ন্যায়াধিকৰণলৈ প্ৰেৰণ কৰিছিল।

১৯৫১ চনৰ ২৭ নৱেম্বৰত ন্যায়াধিকৰণে ৰায়দান কৰিছিল আৰু ৰায় দিছিল যে "মিলটোৰ বৰ্তমানৰ উপাৰ্জন ক্ষমতাই অধিক হাৰত মজুৰি আৰু অধিক মৰগীয়া ভাট্টা প্ৰদান কৰাত বাধা দিয়ে।"

এই ৰায়ৰ বিৰুদ্ধে কৰ্মচাৰীসকলে আপীল ন্যায়াধিকৰণত আবেদন জনায়। এই আবেদন বিচাৰাধীন হৈ থকাৰ সময়তে মুখ্য আয়ুক্ত আজমেৰে ৰাজ্যৰ ভিতৰত বস্ত্ৰ উদ্যোগৰ শ্ৰমিকৰ নূন্যতম মজুৰি , নূন্যতম মজুৰি আইনৰ বিধান অনুসৰি নিৰ্ধাৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰে । ইতিমধ্যে কোৱাৰ দৰে ১৯৫২ চনৰ ১৭ জানুৱাৰীত এখন সমিতি গঠন কৰা হয়, যিয়ে ৪ অক্টোবৰত প্ৰতিবেদন দাখিল কৰে আৰু তাৰ পিছত ১৯৫২ চনৰ ৭ অক্টোবৰত মজুৰিৰ নূন্যতম হাৰ নিৰ্ধাৰণ কৰি অধিসূচনা জাৰি কৰা হয়, যাৰ বিৰুদ্ধে আবেদনকাৰী কোম্পানীকে ধৰি কেইবাটাও বস্ত্ৰ কোম্পানীয়ে লেখ আবেদন দাখিল কৰে। ইয়াৰ মাজতে অৱশ্যে কোম্পানীটোৰ শ্ৰমিকসকলে দাখিল কৰা আবেদনখনৰ বিচাৰ সাধাৰণ পদ্ধতিৰে আপীল ন্যায়াধিকৰণৰ সন্মুখত আগবাঢ়ে । আপীল ন্যায়াধিকৰণে গোচৰটো অধিক তদন্তৰ বাবে ঔদ্যোগিক ন্যায়াধিকৰণলৈ ঘূৰাই পঠিয়াইছিল আৰু ১৯৫৩ চনৰ ৮ ছেপ্টেম্বৰত ঔদ্যোগিক ন্যায়াধিকৰণে চূড়ান্ত ৰায়দান কৰিছিল, যাৰ দ্বাৰা মুখ্য আয়ুক্তই ৫৬ টকাৰ নূন্যতম মজুৰি নিৰ্ধাৰণ কৰা ভিত্তিটো নাকচ কৰিছিল আৰু মৰগীয়া ভাট্টাকে ধৰি নূন্যতম মজুৰি ৩৫ টকা নিৰ্ধাৰণ কৰিছিল। কোম্পানীটোৱে আবেদনত উল্লেখ কৰিছে যে আজমেৰৰ ৰাজ্য চৰকাৰে নিৰ্ধাৰণ কৰা নূন্যতম মজুৰিয়ে কোম্পানীটোক এনে মজুৰি প্ৰদান কৰি ব্যৱসায় চলোৱাৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে বাধাৰ সৃষ্টি কৰিছে আৰু এনে মজুৰি প্ৰদান কৰি ব্যৱসায় চলোৱাটো সম্ভৱ নহয়। সেই অনুসৰি কোম্পানীটোৱে ১৯৫৩ চনৰ ১ এপ্ৰিলৰ পৰা আৰু তাৰ পৰা নিজৰ মিলসমূহ বন্ধ কৰি দিয়ে। কোম্পানীটোৰ মিলবোৰত প্ৰায় ১৫০০ শ্ৰমিকে কাম কৰিছিল আৰু ১৯৫৪ চনৰ জানুৱাৰী মাহৰ পৰা কেইবাশ শ্ৰমিকে পৰিচালনা কৰ্তৃপক্ষৰ কাষ চাপি মিল খুলিবলৈ অনুৰোধ কৰে আৰু কয় যে তেওঁলোক ঔদ্যোগিক ন্যায়াধিকৰণে নিৰ্ধাৰণ কৰা ৩৫ টকা মজুৰিত কাম কৰিবলৈ ইচ্ছুক। ঔদ্যোগিক ন্যায়াধিকৰণে নিৰ্ধাৰণ কৰা মজুৰি অনুসৰি বেছিভাগ শ্ৰমিকে কাম কৰিবলৈ ইচ্ছুক হোৱাৰ পিছতো কোম্পানীটোৱে নিজৰ মিলসমূহ পুনৰ মুকলি কৰিব নোৱাৰে কাৰণ নূন্যতম মজুৰি আইন অনুসৰি নিৰ্ধাৰিত নূন্যতম মজুৰি নিদিয়াটো অপৰাধ বুলি

গণ্য কৰা হয়। এই পৰিস্থিতিৰ বাবেই য'ত নূন্যতম মজুৰি আইনখনে কোম্পানীটোক নিজৰ শ্ৰমিকসকলৰ সৈতে পাৰস্পৰিকভাৱে চুক্তিবদ্ধ চৰ্তত ব্যৱসায় চলাবলৈ বাধা দিয়ে, তেনে পৰিস্থিতিৰ বাবে কোম্পানীটোৱে নূন্যতম মজুৰি আইনখনৰ মূল বিধানসমূহৰ সাংবিধানিকতাক প্ৰত্যাহ্বান জনাই ১৯৫৪ চনৰ ১৮৮ নং আবেদন দাখিল কৰে। ৰাজ্য চৰকাৰে নিৰ্ধাৰণ কৰা নূন্যতম মজুৰিতকৈ কৰ হাৰত কাম কৰিবলৈ সন্মত হোৱা শ্ৰমিকসকলে কোম্পানীয়ে কৰা সকলো দাবীৰ সমৰ্থনত আন এখন আবেদন দাখিল কৰিছে। দুয়োখন আবেদনকে প্ৰতিনিধিত্ব কৰি শ্ৰীযুত ছিৰভায়ে যুক্তি আগবঢ়ায় যে নূন্যতম মজুৰি আইনখনৰ কিছুমান অংশই সংবিধানৰ অনুচ্ছেদ ১৯(১)(ছ)ৰ অধীনত নিশ্চিত কৰা মৌলিক অধিকাৰৰ বিৰোধিতা কৰে আৰু এইবোৰ দফা (৬)ৰ দ্বাৰা সুৰক্ষিত নহয়। কমিটীৰ সিদ্ধান্ত কোনো আদালতত পুনৰীক্ষণ বা প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰিব ; ই চূড়ান্ত। বিজ্ঞ অধিবক্তাগৰাকীয়ে যুক্তি আগবঢ়ায় যে আইনখনৰ কিছুমান নিয়ম এক নিৰ্দিষ্ট গোটৰ নিয়োগকৰ্তাৰ বাবে নায্য নহয়, যিয়ে অৰ্থনৈতিক কাৰণত নূন্যতম মজুৰি দিব নোৱাৰে যদিও নিজৰ শ্ৰমিকক শোষণ কৰাৰ তেওঁলোকৰ কোনো উদ্দেশ্য নাই। এই ক্ষেত্ৰত আইনখনৰ নিয়মসমূহে নিৰ্ধাৰিত উদ্দেশ্যক ফলপ্ৰসূভাৱে পূৰণ নকৰে। আমি এই যুক্তিবোৰ এটা এটাকৈ সঠিক ক্ৰমত বিশ্লেষণ কৰিম। শ্ৰমিকসকলে মৌলিক প্ৰয়োজনীয়তাৰ বাবে পৰ্যাপ্ত মজুৰি লাভ কৰাটো নিশ্চিত কৰা আৰু স্বাস্থ্য আৰু শালীনতা বজাই ৰখাটো জনস্বাৰ্থৰ বাবে অপৰিহাৰ্য্য। এই নীতি আমাৰ সংবিধানৰ ৪৩ নং অনুচ্ছেদত ৰাষ্ট্ৰৰ নিৰ্দেশনামূলক নীতি হিচাপে উল্লেখ কৰা হৈছে। এইটো সকলোৱে জানে যে ১৯২৮ চনত জেনেভাত অনুষ্ঠিত হোৱা *নূন্যতম মজুৰি নিৰ্ধাৰণ সন্মিলন* (Minimum Wages Fixing Machinery Convention) হৈছিল আৰু সেই সন্মিলনৰ পৰা অহা প্ৰস্তাৱসমূহ আন্তৰ্জাতিক শ্ৰম সংহিতাত অন্তৰ্ভুক্ত কৰা হৈছিল। এই প্ৰস্তাৱসমূহ কাৰ্যকৰী কৰিবলৈ নূন্যতম মজুৰি আইন প্ৰণয়ন কৰা বুলি বিশ্বাস কৰা হয় , যিটো এচ আই ইএচটি ইত্যাদি বনাম মাদ্ৰাজ চৰকাৰ গোচৰত (১৯৫৪)উল্লেখ কৰা হৈছে। শ্ৰমিকসকলে যাতে নূন্যতম মজুৰি লাভ কৰে আৰু নিয়োগকৰ্তাৰ শোষণৰ পৰা সুৰক্ষিত হয় , তাৰ বাবে তেওঁলোকৰ চুক্তিৰ মুক্তভাৱে আলোচনা কৰাৰ ক্ষমতা সীমিত কৰাটো অতি গুৰুত্বপূৰ্ণ। এই নিষেধাজ্ঞা কোনো কাৰণতে অযুক্তিকৰ নহয়। আনহাতে, নিয়োগকৰ্তাসকলে অভিযোগ কৰা উচিত নহয় যদি তেওঁলোকে নিজৰ শ্ৰমিকসকলক নূন্যতম মজুৰি দিব

লাগে, যদিও সেই শ্ৰমিকসকলে তেওঁলোকৰ আৰ্থিক অসুবিধা আৰু বিকল্পৰ অভাৱৰ বাবে কম দৰমহাত কাম কৰিবলৈ ইচ্ছুক। ছিৰভাই ডাঙৰীয়াৰ যুক্তি আমি সম্পূৰ্ণৰূপে বুজি পোৱা নাই যে আইনখনৰ বিধানসমূহে নিয়োগকৰ্তাৰ এটা নিৰ্দিষ্ট গোটক গুৰুতৰ আৰু অন্যায়ভাৱে প্ৰভাৱিত কৰিব যিসকলে অৰ্থনৈতিক বাধাৰ বাবে কৰ্তৃপক্ষই নিৰ্ধাৰিত নূন্যতম মজুৰি দিব নোৱাৰে যদিও তেওঁলোকৰ শ্ৰমিকসকলক শোষণ কোনো উদ্দেশ্য নাই। নিয়োগকৰ্তাৰ উদ্দেশ্য ভাল হওক বা বেয়া হওক সেইয়া বিচাৰ্য্যৰ বিষয় নহয় যদিহে শ্ৰমিকৰ বাবে পৰ্যাপ্ত জীৱন-যাপনৰ মজুৰি নিশ্চিত কৰিলে সাধাৰণ জনতাক উপকৃত হয়। কিছুমান নিয়োগকৰ্তাই আইনখনে নিৰ্ধাৰণ কৰা নূন্যতম মজুৰি মানি চলি নিজৰ ব্যৱসায় বজাই ৰাখিব নোৱাৰিব পাৰে, কিন্তু এই অসুবিধাৰ কাৰণ কেৱল সেই নিয়োগকৰ্তাসকলৰ বাবে নিৰ্দিষ্ট অৰ্থনৈতিক পৰিস্থিতি। কিছুমান নিয়োগকৰ্তাই আইনখন মানি চলাটো প্ৰত্যাহ্বানজনক বুলি বিবেচনা কৰাটোৱে সমগ্ৰ আইনখনক অযুক্তিকৰ বুলি ঘোষণা কৰাটো ন্যায্য নহয়। নূন্যতম মজুৰি কেনেকৈ নিৰ্ধাৰণ কৰা হয় সেই সন্দৰ্ভত চৰকাৰক যথেষ্ট কৰ্তৃত্ব প্ৰদান কৰা হৈছে। কিন্তু মজুৰি নিৰ্ধাৰণ কৰাৰ আগতে চৰকাৰে , যদিহে কোনো সমিতি আছে , তেন্তে তেনে সমিতিৰ পৰামৰ্শ বিবেচনা কৰিব লাগিব বা মজুৰিৰ সিদ্ধান্তৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ সম্ভাৱনা থকা ব্যক্তিসকলৰ পৰা পোৱা তথ্যৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। আইনখনে নিৰ্দেশ দিয়ে যে যেতিয়াই নূন্যতম মজুৰিৰ সংশোধন হয় তেতিয়াই চৰকাৰে পৰামৰ্শদাতা সংস্থাৰ সৈতে পৰামৰ্শ ল ’ব লাগিব। ইয়াৰ উপৰিও আইনৰ ৮ নং ধাৰাত নূন্যতম মজুৰি নিৰ্ধাৰণ আৰু সংশোধনৰ ক্ষেত্ৰত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ উভয়কে পৰামৰ্শ দিবলৈ কেন্দ্ৰীয় পৰামৰ্শদাতা ব ’ৰ্ড গঠন কৰা হৈছে। এনে কেন্দ্ৰীয় পৰামৰ্শদাতা সংস্থাই সমন্বয়ক হিচাপেও কাম কৰে যাতে বিভিন্ন পৰামৰ্শদাতা সংস্থাই একেলগে ফলপ্ৰসূভাৱে কাম কৰে তাৰ ব্যৱস্থা কৰে। সমিতি বা পৰামৰ্শদাতা সংস্থাত নিয়োগকৰ্তা আৰু কৰ্মচাৰী উভয়ৰে সমান প্ৰতিনিধিত্ব থাকে , লগতে স্বতন্ত্ৰ সদস্যও থাকে যিয়ে নিৰপেক্ষ মতামত দিব বুলি আশা কৰা হয়। এই নিয়মসমূহে আমাৰ দৃষ্টিত চৰকাৰে যিকোনো খৰখেদাকৈ বা স্বেচ্ছাচাৰীভাৱে লোৱা সিদ্ধান্তৰ বিৰুদ্ধে পৰ্যাপ্ত সুৰক্ষা প্ৰদান কৰে। চৰকাৰে কিছুমান বিশেষ পৰিস্থিতিত এই আইনত উল্লেখ কৰা নিৰ্দিষ্ট নিয়ম মানি চলাৰ পৰা কিছুমান সত্তাক ৰেহাই দিব পাৰে।

চৰকাৰৰ সিদ্ধান্ত পুনৰীক্ষণৰ কোনো স্পষ্ট ব্যৱস্থা নাই যদিও কেৱল এই অনুপস্থিতিয়েই আইনখন অযুক্তিকৰ কৰি তুলিব বুলি আমি বিশ্বাস নকৰো। আমি বিশ্বাস কৰোঁ যে সীমাবদ্ধতাই সংবিধানে নিশ্চিত কৰা বাণিজ্য বা ব্যৱসায়ৰ স্বাধীনতাক কিছু পৰিমাণে বাধা দিলেও, সেইয়া ন্যায্য। এই নিষেধাজ্ঞাসমূহ জনস্বাৰ্থৰ বাবে আৰোপ কৰা হৈছে আৰু সেইবোৰ ১৯ নং অনুচ্ছেদৰ দফা (৬)ৰ দ্বাৰা সুৰক্ষিত।

ফলত আবেদন নাকচ কৰা হয়। খৰচ কোনে বহন কৰিব সেই সম্পৰ্কে আমি কোনো সিদ্ধান্ত লোৱা নাই। আবেদন নাকচ কৰা হৈছে।

অনুবাদ -

মৃণাল কুমাৰ ভট্টাচাৰ্য্য

জ্যেষ্ঠ অনুবাদক

গৌহাটী উচ্চ ন্যায়ালয়